**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-03-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***

::::::::::::::::::::::::::::::::::::::::::

## Headlines

১। লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পিছতে বিভিন্ন ৰাজনৈতিক নিৰ্বাচনী প্ৰচাৰ আৰম্ভ

২। সৰ্বোচ্চ ন্যায়ালয়ত আজি নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে দাখিল কৰা ২৩৭ টা গোচৰৰ শুনানি।

৩। অসম বিধানসভাৰ কামকাজ সম্পূৰ্ণ ডিজিটেল কৰি তোলাৰ উদ্দেশ্যে আজিৰে পৰা বিধানসভাৰ চৌহদত দুদিনীয়া ই-বিধানসভা কৰ্মশালা।

৪। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰ আৰু বটদ্ৰৱা থানৰ লগতে ৰাজ্যৰ ভিন্ন স্থানত শ্ৰীশ্ৰীকৃষ্ণৰ দৌল উৎসৱৰ প্ৰস্তুতি।

*আৰু*

৫। কালিৰে পৰা নাগালেণ্ডৰ ডিমাপুৰ আৰু ক'হিমাত তৃতীয় উত্তৰ-পূব ক্ৰীড়া আৰম্ভ।

০০০০০০০

লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পিছত প্ৰথমবাৰৰ বাবে কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া বৰাক উপত্যকাৰ কৰিমগঞ্জ আৰু শিলচৰ লোকসভা সমষ্টিত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে দলীয় প্ৰাৰ্থী, বিধায়ক আৰু দলীয় নেতৃত্বৰ সৈতে পৃথকে পৃথকে বৈঠকত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে দলৰ কাৰ্যকৰ্তাসকলক জনসাধাৰণৰ মাজলৈ গৈ ভোটাৰৰ মাজত অধিক সংযোগ স্থাপন কৰিবৰ বাবে আহ্বান জনায়। কাৰ্যকৰ্তাসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, বৰাক উপত্যকাৰ উন্নয়নৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ সৰ্বসাধাৰণ জনতাৰ কাষলৈ লৈ যাব লাগে। ইয়াৰ পিছতে সংবাদ মাধ্যমৰে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, বৰাক উপত্যকাৰ দুয়োখন আসনতে বিজেপি প্ৰাৰ্থী বিজয় হ'ব।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আন আন সমষ্টিৰ সমান্তৰালকৈ যোৰহাট সংসদীয় সমষ্টিতো ব্যাপক নিৰ্বাচনী প্ৰচাৰ আৰম্ভ হৈছে। কালি সন্ধিয়া শিৱসাগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন স্থানত মন্ত্ৰী পীযূষ হাজৰিকাৰ নেতৃত্বত শাসকীয় দলৰ হৈ প্ৰচাৰ অভিযান চলোৱা হয়। যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন গগৈৰ সমৰ্থনত এটা বিশাল মটৰচাইকেল ৰেলী উলিওৱা হয়। ইয়াৰ পিছতে সংবাদমাধ্যমৰে সৈতে হোৱা কথা বতৰাত মন্ত্ৰী হাজৰিকাই সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থী তপন গগৈ জয়ী হ'ব বুলি দৃঢ়তাৰে কয়। বিজেপিৰ প্ৰাৰ্থী তপন গগৈয়ে কয় যে, যোৰহাটৰ ৰাইজে দ্বিতীয়বাৰৰ বাবে তেওঁক সংসদলৈ নিৰ্বাচিত কৰিব বুলি তেওঁ আত্মবিশ্বাসী। ইফালে বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়েও শিৱসাগৰ বিধানসভা সমষ্টিৰ পৰা প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। শিৱসাগৰৰ শিৱদৌলত সেৱা আগবঢ়াই গৌৰৱ গগৈয়ে শিৱসাগৰ নগৰত পদযাত্ৰা কৰে। তেওঁ নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীৰ অংশ হিচাপে শিৱসাগৰৰ ৰাজীৱ ভৱনত আয়োজন কৰা সমূহীয়া ইফতাৰতো অংশগ্ৰহণ কৰে। ইয়াৰ পিছত সংবাদ মাধ্যমক সম্বোধন

কৰি গৌৰৱ গগৈয়ে কয় যে যোৰহাটত এইবাৰ বিজেপিৰ প্ৰাৰ্থীগৰাকীক ৰাইজে প্ৰত্যাখ্যান কৰিব। সন্ধিয়া গৌৰৱ গগৈ শিৱসাগৰ নগৰৰ ধাইআলিৰ নিবাসী তথা বিশিষ্ট সাহিত্যিক ইমৰান শ্বাহৰ বাসগৃহত উপস্থিত হয়। কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে সাহিত্যিক শ্বাহৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে তেওঁৰ পৰা আশিস বিচাৰে।

০০০০০০০০

দেশৰ আন আন ৰাজ্যৰ লগতে অসমতো হ'বলগা আসন্ন লোকসভা নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে অধিসূচনা জাৰি, প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল, পৰীক্ষা তথা প্ৰত্যাহাৰৰ দিন ঘোষণা কৰিছে। সেই অনুসৰি অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ত অসমৰ কাজিৰঙা, শোণিতপুৰ, যোৰহাট, লখিমপুৰ আৰু ডিব্ৰুগড় লোকসভা সমষ্টিত হ'বলগা ভোটগ্ৰহণৰ পূৰ্বে পাঁচোটা সমষ্টিতে কাইলৈৰ পৰা কাৰ্যকৰী হোৱাকৈ অধিসূচনা জাৰি কৰা হৈছে। আনহাতে প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ২৭ মাৰ্চ নিৰ্ধাৰণ কৰাৰ লগতে ২৮ মাৰ্চত মনোনয়ন পৰীক্ষা আৰু ৩০ মাৰ্চত মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব বুলি দিছপুৰত থকা মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে অৱগত কৰিছে।

এইবাৰ ৰাজ্যৰ ১৪টা সমষ্টিত তিনিটা পৰ্যায়ত লোকসভা নিৰ্বাচন হ'ব। অহা ২৬ এপ্ৰিলত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিত হ'বলগা দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অহা ২৮ মাৰ্চৰ পৰা কাৰ্যকৰী হোৱাকৈ অধিসূচনা জাৰি কৰা হৈছে। মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ৪ এপ্ৰিল হোৱাৰ বিপৰীতে ৫ এপ্ৰিলত মনোনয়ন পৰীক্ষা আৰু ৮ এপ্ৰিলত প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ইফালে ৰাজ্যত অহা ৭ মে'ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত তৃতীয় তথা অন্তিমটো পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই চাৰিওটা সমষ্টিত অহা ১২ এপ্ৰিলত অধিসূচনা জাৰি হ'ব। আনহাতে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ এপ্ৰিল হোৱাৰ বিপৰীতে মনোনয়ন পৰীক্ষা ২০ এপ্ৰিলত আৰু প্ৰত্যাহাৰৰ অন্তিম দিন ২২ এপ্ৰিল ধাৰ্য কৰা হৈছে।

ৰাজ্যত সুচাৰুৰূপে নিৰ্বাচন পৰিচালনা আৰু ৰাইজক ভোটদানৰ বাবে সকলো ধৰণৰ সুবিধা প্ৰদান কৰিবলৈ নিৰ্বাচনী আয়োগ সাজু হোৱা বুলি দিছপুৰত হোৱা এখন সংবাদমেলত মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে জানিবলৈ দিয়ে।

জনতা ভৱনত আয়োজিত এখন সংবাদমেল সম্বোধন কৰি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে এইবাৰৰ নিৰ্বাচনত বঙাইগাঁৱত এটা, কামৰূপ মহানগৰ জিলাত ৩টা আৰু কামৰূপ জিলাত এটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ বৃদ্ধি পোৱাৰ ফলত সৰ্বমুঠ ৫টা ভোটকেন্দ্ৰ বৃদ্ধি পাইছে বুলি জানিবলৈ দিয়ে।

শ্ৰীগোৱেলে লগতে কয় যে, তিনিওটা পৰ্যায়ৰ নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ ১০ দিন আগলৈকে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে যোগ্য নাগৰিকে আৱেদন জনাব পাৰিব। এই আৱেদনসমূহৰ ভিত্তিত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব।

নিৰ্বাচন সুচাৰুৰূপে পৰিচালিত কৰাৰ বাবে ৩৪ হাজাৰ ৩৮০টা ভোটিং মেচিন আৰু ৩৭ হাজাৰ ২৪৫টা ভিভি পেট সাজু কৰা হৈছে বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে অৱগত কৰে। কাইলৈৰ পৰা ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ উপস্থিতিত ভোটিং মেচিনসমূহ পৰীক্ষা কৰা হ'ব। আনহাতে নিৰ্বাচনী আচৰণ বিধি উলংঘা বা অবৈধ ধনৰ লেনদেনকে ধৰি সম্ভাব্য অনিয়মসমূহ পৰ্যবেক্ষণ কৰাৰ বাবে ফ্লায়িংস্কোৱাডকে ধৰি নিৰীক্ষণকাৰী গোট গঠন কৰা হ'ব বুলি শ্ৰীগোৱেলে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে, ১৫ হাজাৰ ৭৭৭টা ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিঙৰ ব্যৱস্থা থাকিব। ইলেক্ট্ৰনিক ভোটিং মেচিন কঢ়িওৱা বাহনসমূহত জিপিএছ ব্যৱস্থা সংলগ্ন কৰাৰ লগতে নিয়ন্ত্ৰণ কক্ষৰ পৰা এইসমূহৰ অবিৰত নিৰীক্ষণ কৰা হ'ব।

তেওঁ কয় যে, ইতিমধ্যে ৰাজিক নিৰ্বাচনী আয়োগে প্ৰশাসন আৰু আৰক্ষীৰ লগত সুচল নিৰ্বাচন পৰিচালনা সন্দৰ্ভত আলোচনা কৰিছে আৰু নিৰ্বাচনত জড়িত থাকিব লগা বিষয়া-কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰা হৈছে। ভোটদানৰ সজাগতা বৃদ্ধিৰ বাবে জিলাই জিলাই বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি জানিবলৈ দি নিৰ্বাচনী বিষয়াগৰাকীয়ে কালিয়ে ৰাজনৈতিক দলৰ সৈতে সভা অনুষ্ঠিত কৰি নিৰ্বাচনৰ দিন ঘোষণাৰ পাছত দেশত বলৱৎ হোৱা আচৰণ বিধি সম্পৰ্কতো বিতংভাৱে অৱগত কৰে।

০০০০০০০০

নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে দাখিল কৰা সৰ্বমুঠ ২৩৭ টা গোচৰৰ শুনানি উচ্চতম ন্যায়ালয়ত আজিৰে পৰা আৰম্ভ হ'ব। মুখ্য ন্যায়াধীশ ধনঞ্জয় যশৱন্ত চন্দ্ৰচূড় নেতৃত্বাধীন তথা ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু ন্যায়াধীশ মনোজ মিশ্ৰক লৈ গঠিত এখন বিচাৰপীঠত এই শুনানি গ্ৰহণ কৰা হ'ব। শেহতীয়াকৈ '**কা**'ৰ নিয়মাৱলীক প্ৰত্যাহ্বান জনাই উত্তৰ-পূব ছাত্ৰ সন্থাই আন এখন আবেদন উচ্চতম ন্যায়ালয়ত দাখিল কৰিছে। নেছ'ৰ অধ্যক্ষ ছেমুৱেল জেৰ'ৱা, মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল ভট্টাচাৰ্য আৰু খাচী ছাত্ৰ সন্থাৰ সভাপতিয়ে জনোৱা মতে '**কা**' বাতিলৰ বাবে ২০১৯ চনতে নেছ'ই আবেদন দাখিল কৰিছিল। এই আবেদনৰ শুনানি চলি থকাৰ সময়তে কালি '**কা**'ৰ নিয়মাৱলী বাতিলৰ দাবীত পুনৰ আবেদন দাখিল কৰা হৈছে। ছাত্ৰ সংগঠনটোৱে জনোৱা মতে উত্তৰ-পূৰ্বাঞ্চলৰ ইনাৰলাইন পাৰ্মিট থকা ৰাজ্য, ষষ্ঠ অনুসূচীৰ এলেকাৰ বাবে যদি '**কা**' প্ৰযোজ্য নহয় তেন্তে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবেও '**কা**' প্ৰযোজ্য হোৱাটো গ্ৰহণযোগ্য নহয়।

উল্লেখ্যে অসম সন্মিলিত মহাসংঘৰ কাৰ্যকৰী সভাপতি তথা এই গোচৰৰ অন্যতম গোচৰীয়া মতিউৰ ৰহমানে গুৱাহাটীত প্ৰকাশ কৰা মতে মহাসংঘৰ হৈ জ্যেষ্ঠ অধিবক্তা বিজয় হান্সাৰিয়াই যুক্তি প্ৰদৰ্শন কৰাৰ লগতে অধিবক্তা সৃষ্টি বৰঠাকুৰে তেওঁক সহযোগ কৰিব। উল্লেখযোগ্য যে অসম সন্মিলিত মহাসংঘৰ লগতে সদৌ অসম ছাত্ৰ সন্থা, সোণোৱাল কছাৰী জাতীয় পৰিষদ, চিংফৌ কছাৰী জাতীয় পৰিষদ, তিৱা জাতীয় ঐক্য মঞ্চ, কাৰ্বি ষ্টুডেণ্ট এছ'চিয়েচন আৰু দেউৰী সংগ্ৰাম সমিতিকে ধৰি ২৮টা খিলঞ্জীয়া জনগোষ্ঠীয় সংগঠনে আইনখনৰ বিৰুদ্ধে আদালতত আবেদন জনাইছে। ইয়াৰ পূৰ্বে ২০২২ চনৰ ৬ ডিচেম্বৰত আৰম্ভ হোৱা গোচৰটোৰ শুনানি ২০২৩ চনৰ পৰা স্থগিত হৈ আছিল।

০০০০০০০০০

ভাৰতীয় ষ্টেট বেংকে বৃহস্পতিবাৰৰ ভিতৰত নিৰ্বাচনী বণ্ড সম্বন্ধীয় সকলো তথ্য প্ৰকাশ কৰিব লাগিব। সৰ্বোচ্চ ন্যায়ালয়ে ভাৰতীয় ষ্টেট বেংকক এই নিৰ্দেশ দিছে। ন্যায়ালয়ে লগতে ২১ মাৰ্চ পৰ্যন্ত ক্ৰেতা আৰু প্ৰাপক ৰাজনৈতিক দলৰ মাজৰ সম্পৰ্ক প্ৰতিফলিত কৰা ইউনিক ব'ণ্ড নম্বৰৰ তথ্যও প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বৰ এখন ৫ জনীয়া সাংবিধানিক বিচাৰপীঠে ভাৰতীয় ষ্টেট বেংকৰ অধ্যক্ষক ২১ মাৰ্চৰ বিয়লি ৫ বজাৰ ভিতৰত এখন শপতনামাও দাখিল কৰিবলৈ নিৰ্দেশ দিছে। বিচাৰপীঠে এই নিৰ্দেশৰ জৰিয়তে কৈছে যে বেংকটোৰ শপতনামাত বেংকে সকলো তথ্য প্ৰকাশ কৰা বুলি উল্লেখ থাকিব লাগিব।

০০০০০০০০০

অসম বিধানসভাৰ কামকাজক সম্পূৰ্ণ ডিজিটেল কৰি তোলাৰ উদ্দেশ্যে আজিৰে পৰা বিধানসভাৰ চৌহদত দুদিনীয়া ই-বিধানসভা কৰ্মশালাৰ আয়োজন কৰা হৈছে। সচিবালয়ৰ বিষয়া-কৰ্মচাৰীসকলক এই কৰ্মশালাত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত অসম বিধানসভাৰ গোপীনাথ বৰদলৈ ভৱনত লোকসভা সচিবালয়ে এই ৰাষ্ট্ৰীয় ই-বিধান আবেদনৰ কৰ্মশালাখনৰ আয়োজন

কৰিছে। কৰ্মশালাৰ জৰিয়তে শীঘ্ৰেই বিধানসভাৰ সকলো তথ্য ৰাষ্ট্ৰীয় ই-বিধান আবেদন অৰ্থাৎ **নেভাত** উপলব্ধ হ'ব। ইয়াৰ ফলত বিধানসভাৰ কামকাজৰ পৰিচালনা অধিক গতিশীল হ'ব বুলি আশা কৰা হৈছে। এই ব্যৱস্থাই ভিডিঅ' কনফাৰেন্স ব্যৱস্থাৰ বিকাশৰ লগতে পুৰণি ৰেকৰ্ডসমূহ ডিজিটেল ৰূপত সংৰক্ষণ কৰাৰ বাবে ডিজিটেল লাইব্ৰেৰীৰ উত্তৰণতো সহায় কৰিব।

ooooooooo

কৰিমগঞ্জৰ জিলা আয়ুক্তই সমাগত লোকসভা নিৰ্বাচন উপলক্ষে জিলাখনৰ অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ-শস্ত্ৰৰ গৰাকীক অতি সোনকালে সংশ্লিষ্ট থানাত অস্ত্ৰ-শস্ত্ৰ জমা দিবলৈ নিৰ্দেশ জাৰি কৰিছে। সেই অনুসৰি নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত অস্ত্ৰৰ গৰাকীয়ে থানাত নিজৰ অস্ত্ৰ জমা হোৱাৰ ৰচিদ দেখুৱাই অস্ত্ৰ-শস্ত্ৰ পুনৰ ল'ব পাৰিব। কোনো অনুজ্ঞাপত্ৰধাৰীয়ে এই আদেশ অমান্য কৰিলে অস্ত্ৰ আইন ১৯৫৯ৰ অধীনত আইনী ব্যৱস্থা গ্ৰহণ কৰি অনুজ্ঞাপত্ৰ বাতিল কৰা হ'ব।

ooooooooo

মহাপুৰুষ মাধৱদেৱে প্ৰতিষ্ঠা কৰা বৰপেটা সত্ৰত ২৪ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ উদযাপন কৰা হ'ব। এই দৌল উৎসৱ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে সত্ৰ পৰিচালনা সমিতিয়ে প্ৰস্তুতি আৰম্ভ কৰিছে। ইতিমধ্যে মূল সমিতিৰ উপৰি কেইবাখনো উপ-সমিতি গঠন কৰি সকলো দিশ তদাৰকৰ ব্যৱস্থা কৰা হৈছে। বৰপেটা সত্ৰত প্ৰথমজন সত্ৰাধিকাৰ মথুৰাদাস বুঢ়াআতাই প্ৰথমবাৰৰ বাবে দৌল উৎসৱৰ আয়োজন কৰিছিল।

দৌল উৎসৱৰ প্ৰথম দিনা ২৪ মাৰ্চত গন্ধযাত্ৰা, বিয়লি নাম-প্ৰসংগ, অধিবাস সম্পন্ন হ'ব। পিছদিনা ভৰদৌল অনুষ্ঠিত হ'ব। সেইদিনা সত্ৰৰ ডেকাসত্ৰীয়াই ফাকুগুড়ি ছতিয়াই গোসাঁইক সেৱা জনোৱাৰ পাছত ভক্তসকলে ফাকুগুড়ি আগবঢ়াই গোসাঁইক সেৱা জনাব পাৰিব। ২৬ মাৰ্চত সুৱেৰি উৎসৱ। দৌল মহোৎসৱ উপলক্ষে তিনিও দিনতে সত্ৰৰ নিত্য-নৈমিত্তিক প্ৰসংগৰ উপৰি সত্ৰৰ চোতালত মেজি প্ৰজ্বলন, স্থানীয় শিল্পীৰ আতচবাজী প্ৰদৰ্শন আৰু সত্ৰৰ ৰংগমঞ্চত সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানতো ২৪ মাৰ্চৰ পৰা ২৮ মাৰ্চলৈকে ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীশ্ৰীকৃষ্ণৰ দৌল যাত্ৰা অনুষ্ঠিত হ'ব। এই উৎসৱৰ লগত সংগতি ৰাখি বটদ্ৰৱা থানত বিভিন্ন কাৰ্যসূচীৰ লগেত সাংস্কৃতিক অনুষ্ঠান আৰু ভাওনাৰ আয়োজন কৰা হৈছে।

ooooooooo

কালিৰে পৰা নাগালেণ্ডৰ ডিমাপুৰ আৰু ক'হিমাত তৃতীয় উত্তৰ-পূব ক্ৰীড়া অনুষ্ঠিত হৈছে। নিশা ৭ বজাত ডিমাপুৰৰ ছুমৌকেডিমাত নতুনকৈ নিৰ্মাণ কৰা গেমছ ভিলেজত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উত্তৰ-পূবৰ ৮খন ৰাজ্যৰ প্ৰায় আঢ়ৈ হাজাৰ খেলুৱৈয়ে মুঠ ১৫ বিধ খেলত প্ৰতিদ্বন্দ্বিতা কৰিব লগা এই প্ৰতিযোগিতাত অংশ লোৱাৰ উদ্দেশ্যে প্ৰায় তিনিশ খেলুৱৈৰে গঠিত অসমৰ প্ৰথমটো দল পুৱাই গুৱাহাটীৰ পৰা ৰাওনা হৈছে। অহা ২৩ মাৰ্চত সামৰণি পৰিব লগা প্ৰতিযোগিতাৰ খেলসমূহ আজিৰে পৰা আৰম্ভ হ'ব।

ooooooooo

ছুইজাৰলেণ্ডৰ বেছলত আজিৰে পৰা ছুইছ অপেন ছুপাৰ থ্ৰী হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব। পুৰুষৰ একক শাখাত সপ্তম বাছনিৰ ভাৰতৰ লক্ষ্য সেনে ৰাউণ্ড থাৰ্টি ট্যুত মালয়ছিয়াৰ লিয়ং জুন হাওৰ বিৰুদ্ধে খেলিব। ইপিনে কিদাম্বী শ্ৰীকান্তে টাইৱানৰ ৱাং টু জু ৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মহিলাৰ একক শাখাত চতুৰ্থ বাছনিৰ বাবে পি ভি সিন্ধুৱে জাৰ্মানীৰ য়ৱ'ন লীৰ বিৰুদ্ধে খেলিব। আনহাতে মহিলাৰ দ্বৈত

শাখাত ষষ্ঠ বাছনিৰ অশ্বিনী পোনাপ্পা আৰু তানিষা ক্ৰাষ্টোৰ যুটীটোৱে ইন্দোনেছিয়াৰ মেইলিছা ট্ৰায়ছ পুষ্পিতাচাৰী আৰু ৰাছেল এলেছ্যা ৰোজৰ বিৰুদ্ধে খেলিব। তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোৱে আমেৰিকা যুক্তৰাষ্ট্ৰ এনি জু আৰু কেৰি জুৰ বিৰুদ্ধে খেলিব। অহা ২৪ মাৰ্চত এই প্ৰতিযোগিতাৰ সাৰমণি পৰিব।

ooooooooo

Newspaper Review (19-03-2024 Morn.)

নিৰ্বাচনী বণ্ডক লৈ উচ্চতম ন্যায়ালয়ৰ কঠোৰ স্থিতি, গুৱাহাটী বিশ্ববিদ্যালয়ত দুই সংগঠনৰ মাজত সংঘৰ্ষ, নাগৰিকত্ব সংশোধনী আইনৰ সন্দৰ্ভত আজি উচ্চতম ন্যায়ালয়ৰ শুনানি, সমাগত লোকসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰধান বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান কৰা দেখা গৈছে।

গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰ সমাজ আৰু অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ মাজত নাগৰিকত্ব সংশোধনী আইনক লৈ কালি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। দুয়ো পক্ষৰ মাজত হোৱা মাৰপিটত ৬ শিক্ষাৰ্থী আহত হয়। এই বাতৰিটো ’কা’ক লৈ **উত্তপ্ত গুৱাহাটী বিশ্ববিদ্যালয়, বেনাৰ-পোষ্টাৰ ফালি-চিৰি লণ্ডভণ্ড, টায়াৰ জ্বলাই প্ৰতিবাদ** শিৰোনামেৰে দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

১ এপ্ৰিলৰ পৰা ৮০০ বিধ অত্যাৱশ্যকীয় ঔষধৰ মূল্যবৃদ্ধিত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে আজি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম **কেঁচামালৰ দাম বৃদ্ধিৰ অজুহাত দেখুৱাই ঔষধ কোম্পানীসমূহৰ মাধমাৰ, ৮০০ অত্যাৱশ্যকীয় ঔষধৰ বাঢ়িব মূল্য।** এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতেও প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰাক উপত্যকাৰ পৰা নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে। কালি মুখ্যমন্ত্ৰীগৰাকীয়ে বৰাকত উপস্থিত হৈ দলীয় কাৰ্যকৰ্তা তথা প্ৰাৰ্থীৰ সৈতে পৃথকে পৃথকে বৈঠকত অংশগ্ৰহণ কৰে। এই বাতৰিটো **বৰাক উপত্যকাৰ পৰা নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰি মুখ্যমন্ত্ৰী ঃ জয়ী হোৱাজনেই আহিব বিজেপিলৈ** শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

নিৰ্বাচনী বণ্ডক লৈ দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা স্থিতিৰ সন্দৰ্ভত এটা বিতং বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম **২১ মাৰ্চৰ ভিতৰত ইলেক্ট’ৰেল বণ্ডৰ সম্পূৰ্ণ তথ্য জমা দিয়াৰ নিৰ্দেশ উচ্চতম ন্যায়ালয়ৰ ঃ গোপন তথ্য বিচাৰি ষ্টেট বেংকক চৰম সীমা।** একেটা বাতৰিকে দি আসাম ট্ৰিবিউন কাকতেও প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছত সমষ্টিয়ে সমষ্টিয়ে দলসমূহে প্ৰচাৰ আৰম্ভ কৰাৰ সন্দৰ্ভত প্ৰস্তুত কৰা এটা বাতৰি দৈনিক জনমভূমি কাকতে **সমষ্টিয়ে সমষ্টিয়ে হেভিৱেট প্ৰাৰ্থী ঃ আকৰ্ষণীয় হ’ব অসমৰ ভোটযুদ্ধ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নাগৰিকত্ব সংশোধনী আইনৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনাই বিভিন্ন পক্ষই দাখিল কৰা গোচৰৰ শুনানি আজিৰে পৰা উচ্চতম ন্যায়ালয়ে গ্ৰহণ কৰিব। এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

খিলঞ্জীয়া মুছলমান সকলক লৈ ৰাজ্য চৰকাৰে সমীক্ষা চলাবলৈ লোৱা বাতৰিটো দি ছেণ্টিনেল কাকতে District Level Committees Set Up To Survey Indigenous Muslims

শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। এয়াই আছিল  আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰধান বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ শিৰোনাম।

oooooooo

**সমাপ্ত**